# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-11-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি গুজৰাটত ৯ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। প্ৰধানমন্ত্ৰীয়ে কালি ভাৰ্চুৱেল ব্যৱস্থাৰে মণিপুৰৰ ছুংপেজং গাঁৱত একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ হাৰিয়ানাৰ ফৰিদাবাদত হ'বলগীয়া উত্তৰ মণ্ডলীয় পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব।

৪। বিশ্ব বক্সিং কাপ ফাইনেল প্ৰতিযোগিতা আজিৰে পৰা নয়দাত অনুষ্ঠিত হ'ব।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ প্ৰথমখন টেষ্ট আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি গুজৰাটৰ জনজাতীয় বসতিপ্ৰধান নৰ্মদা জিলাৰ ডেডিয়াপাড়া নগৰত ৯ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ ভালেমান উন্নয়ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। স্বাস্থ্য, আন্তঃগাঁথনি, শিক্ষা আৰু ঐতিহ্যৰ সৈতে জড়িত এই প্ৰকল্পসমূহত জনজাতীয় সবলীকৰণৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। কিম্বদন্তী জনজাতীয় নেতা তথা স্বাধীনতা সংগ্ৰামী ভগৱান বীৰছা মুণ্ডাৰ ডেৰশ বছৰীয়া জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি পালন কৰা জনজাতীয় গৌৰৱ দিৱস উপলক্ষে এই প্ৰকল্পসমূহ মুকলি কৰা হৈছে। প্ৰধানমন্ত্ৰীয়ে বীৰছা মুণ্ডাৰ জন্মবাৰ্ষিকী উপলক্ষে আয়োজিত এটা সমাবেশত ভাষণ দি কয়, যে এই পৱিত্ৰ ক্ষণত আমি সবকা সাথ, সবকা বিকাশ মন্ত্ৰ সুদৃঢ় কৰাৰ বাবে সংকল্পবদ্ধ হোৱা উচিত। জনজাতীয় কল্যাণত সদায় গুৰুত্ব আৰোপ কৰি অহা হৈছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে বৰ্তমান চৰকাৰে জনজাতীয় সম্প্ৰদায়সমূহ সন্মুখীন হোৱা অন্যায়ৰ অৱসানৰ বাবে আৰু তেওঁলোকৰ বাবে উন্নয়নৰ সুফল সুনিশ্চিত কৰাৰ উদ্দেশ্যে সংকল্প গ্ৰহণ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে জনজাতীয় গৌৰৱ হাজাৰ হাজাৰ বছৰ ধৰি ভাৰতৰ চেতনাৰ অবিচ্ছেদ্য অংগ ৰূপে পৰিগণিত হৈ আহিছে। যেতিয়াই দেশক সন্মান, আত্মসন্মান আৰু স্বশাসনৰ প্ৰশ্ন উঠিছিল তেতিয়াই জনজাতীয় সমাজে সন্মুখৰ পৰা নেতৃত্ব দি আহিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে দেশে স্বাধীনতা সংগ্ৰামত জনজাতীয় সমাজৰ অৱদানৰ কথা পাহৰিব নোৱাৰে। তেওঁ লগতে শ্ৰীগোবিন্দ গুৰুপীঠ জনজাতীয় ভাষা প্ৰসাৰ কেন্দ্ৰ কালি স্থাপন কৰা বুলি উল্লেখ কৰে। এই কেন্দ্ৰত জনজাতিসমূহৰ দোৱানৰ বিষয়ে অধ্যয়ন কৰা হ'ব বুলি শ্ৰীমোদীয়ে

উল্লেখ কৰে। তেওঁ কয়, যে কেন্দ্ৰটোত জনজাতীয় লোকসকলৰ সৈতে জড়িত কাহিনী আৰু গীতসমূহ সংগ্ৰহ কৰা হ'ব।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে মুম্বাই-আহমেদাবাদ দ্ৰুত গতিসম্পন্ন ৰে'ল কৰিড'ৰৰ প্ৰগতিৰ পৰ্যালোচনা চলোৱাৰ উদ্দেশ্যে গুজৰাটৰ চুৰাটত নিৰ্মীয়মান বুলেট ট্ৰেইন ষ্টেচন পৰিদৰ্শন কৰে। শ্ৰীমোদীয়ে বিষয়াসকলৰ সৈতে কথা পাতে আৰু কাম-কাজৰ বুজ লয়। মুম্বাই-আহমেদাবাদ দ্ৰুত গতিসম্পন্ন ৰে'ল কৰিড'ৰৰ কাম সম্পূৰ্ণ হ'লে মুম্বাই আৰু আহমেদাবাদৰ মাজৰ যাত্ৰাৰ সময় ২ ঘণ্টালৈ হ্ৰাস পাব। শ্ৰীমোদীয়ে লগতে ছাগবাড়া তালুকাৰ দেৱমোগৰা গাঁৱত জনজাতীয় সমুদায়ৰ জনগোষ্ঠীয় দেৱী পণ্ডোৰী মাতাৰ মন্দিৰত পূজা-অৰ্চনা আগবঢ়ায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভাৰ্চুৱেল ব্যৱস্থাৰে মণিপুৰৰ কাংপোকপী জিলাৰ ছুংপেজং গাঁৱৰ একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত কাংপোকপীৰ জিলা আয়ুক্ত মহেশ চৌধুৰী আৰু অন্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। জিলা আয়ুক্তগৰাকীয়ে আদৰ্শ বিদ্যালয়ৰ আধাৰশিলা স্থাপন জিলাখনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ ক্ষণ বুলি অভিহিত কৰে। তেওঁ কয়, যে জিলাখনৰ অধীনত চাপৰমেনিয়াত এখন একলব্য আদৰ্শ বিদ্যালয় আছে যদিও নতুন বিদ্যালয়খন ওচৰৰ এলেকাসমূহৰ প্ৰেক্ষাপট সলনি কৰিব। তেওঁ লগতে প্ৰধানমন্ত্ৰীৰ শলাগ লয় আৰু অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বাবে নাগৰিক সমাজ সংস্থাসমূহৰ প্ৰতিনিধিবৰ্গক ধন্যবাদ জ্ঞাপন কৰে।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ হাৰিয়ানাৰ ফৰিদাবাদত হ'বলগীয়া উত্তৰ মণ্ডলীয় পৰিষদৰ বৈঠকত অধ্যক্ষতা কৰিব। পঞ্জাৱ, হাৰিয়ানা আৰু হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰীসকলৰ লগতে দিল্লী, জম্মু-কাশ্মীৰ আৰু লাডাখৰ উপ ৰাজ্যপাল, চণ্ডীগড়ৰ প্ৰশাসক মণ্ডলীৰ লগতে অন্যান্য বিষয়ববীয়াসকলেও এই বৈঠকত অংশগ্ৰহণ কৰিব। চৰকাৰীসূত্ৰত প্ৰকাশ পোৱা মতে, ৰাজ্যসমূহৰ মাজত সহযোগিতা স্থাপন, পানীৰ ভাগ বটোৱাৰা আৰু উন্নয়নমূলক কাম আদি বিষয়সমূহ সন্দৰ্ভত এই ৩২ সংখ্যক উত্তৰ মণ্ডলীয়া পৰিষদৰ বৈঠকত আলোচনা হোৱাৰ সম্ভাৱনা আছে। কেইবাখনো ৰাজ্যৰ সহযোগিতা আৰু কেন্দ্ৰীয় সংস্থাসমূহৰ অভিযানত কিছুদিন পূৰ্বে ফৰিদাবাদত উদ্ধাৰ হোৱা বুজন পৰিমাণৰ বিস্ফোৰক সামগ্ৰীৰ পাছত অঞ্চলটোত কাইলৈ হ'বলগীয়া এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত মাণ্ডলিক পৰিষদৰ ভূমিকা পৰামৰ্শদান গোটৰ বৈশিষ্ট্যৰ পৰা কাৰ্যকৰী মঞ্চলৈ পৰিৱৰ্তিত হৈছে বুলি বিষয়াসকলে প্ৰকাশ কৰিছে। দেশৰ উন্নয়ন আৰু নিৰাপত্তাৰ দিশৰ পৰা বিচাৰ কৰিলে উত্তৰ মণ্ডলীয় পৰিষদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। কিয়নো দেশৰ মুঠ ভূমিৰ ২১ শতাংশ আৰু মুঠ জনসংখ্যাৰ ১৩ শতাংশ সামৰি লোৱাৰ উপৰিও ৩৫ শতাংশতকৈও অধিক খাদ্য সামগ্ৰী এই উত্তৰ অঞ্চলতেই উৎপন্ন হয়।

ooooo

ভাৰতীয় বায়ু সেনাই আজিৰে পৰা ফ্ৰান্সত হ'বলগীয়া দ্বিপাক্ষিক বিমান অনুশীলন-গৰুড় ২৫-ৰ অষ্টম সংস্কৰণত অংশ ল'ব। বায়ু সেনাই ২৭ নৱেম্বৰলৈকে ফ্ৰান্সৰ বায়ু আৰু মহাকাশ বাহিনীৰ সৈতে একেলগে এই অনুশীলনত ভাগ লব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে বাস্তৱিক অভিযানত যুদ্ধ কৌশল আৰু প্ৰক্ৰিয়াৰ সংশোধনে এই

অনুশীলনৰ মূল উদ্দেশ্যে। মন্ত্ৰালয়ে লগতে কয়, যে এই অনুশীলনে দুয়োখন দেশৰ বায়ু সেনা বাহিনীক পেচাদাৰীভাৱে বাৰ্তালাপৰ লগতে অভিজ্ঞতাৰ আদান-প্ৰদান আৰু শ্ৰেষ্ঠ কৌশলসমূহৰ বিনিময়ৰ সুযোগ প্ৰদান কৰিব। অনুশীলনৰ সময়ত, ভাৰতীয় বায়ুসেনা বাহিনীৰ এছ. ইউ-30 এম. কে. আই বিমানে ফ্ৰান্সৰ বহুমুখী যুঁজাৰু বিমানৰ সৈতে আকাশৰ পৰা আকাশলৈ আঘাট হনাৰ, বায়ু প্ৰতিৰক্ষা আৰু যুটীয়া অভিযানৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হব।

ooooo

দিল্লী আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাই প্ৰৱঞ্চনা আৰু জালিয়াতিৰ সংক্ৰান্তত অল ফলাহ বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে দুখন সুকীয়া এজাহাৰ দাখিল কৰিছে। দিল্লী আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা মতে অপৰাধ অনুসন্ধানৰ এটা দলে কালি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ অখলাত থকা অল ফলাহ বিশ্ববিদ্যালয়ৰ কাৰ্যালয় পৰিদৰ্শন কৰে। দিল্লী আৰক্ষীয়ে বিশ্ববিদ্যালয়খনলৈ জাননী প্ৰেৰণ কৰিছে আৰু কিছুমান নথি পত্ৰ বিচাৰিছে। বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু ৰাষ্ট্ৰীয় মূল্যায়ন তথা প্ৰত্যায়ন পৰিষদৰ পৰ্যালোচনা সময়ত ব্যাপক খেলি-মেলিৰ কথা পোহৰলৈ অহাৰ পৰিপ্ৰেক্ষিতত বিশ্ববিদ্যালয়খনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা হৈছে।

ooooo

কেৰালাৰ প্ৰসিদ্ধ সবৰীমালা আয়াপ্পা মন্দিৰ পৱিত্ৰ মন্দালা- মকৰাৱিলক্কু তীৰ্থযাত্ৰাৰ বাবে আজি বিয়লি মুকলি কৰা হ'ব। এই তীৰ্থযাত্ৰাৰ সময়ত ভগৱানৰ আশিষ বিচাৰি লাখ লাখ ভক্ত পৰ্বতৰ ওপৰত অৱস্থিত এই মন্দিৰত উপস্থিত হোৱাৰ সম্ভাৱনা আছে। মন্দিৰ মুকলি কৰাৰ বাবে চূড়ান্ত পৰ্যায়ৰ প্ৰস্তুতি অব্যাহত আছে।

ooooo

বেলুচ নেশ্যনেল মুভমেণ্টে বেলুচিস্তানৰ কেইবাখনো জিলাত ব্যাপকভাৱে বেলুচ শ্বহীদ দিৱস পালন কৰে। এই দিৱসত ৰাজনৈতিক নেতা আৰু মানৱ অধিকাৰ কৰ্মীসকলে বিলুচিস্তানৰ পাকিস্তান দখলীকৃত ভূমি আৰু মানৱ অধিকাৰ উলংঘনৰ বিষয়টোত আলোকপাত কৰে।

উল্লেখযোগ্য যে, বেলুচিস্তানৰ স্বাধীনতা, সন্মান আৰু অধিকাৰৰ বাবে প্ৰাণাহুতি দিয়া বেলুচ শ্বহীদসকলৰ সোঁৱৰণত প্ৰতি বছৰে ১৩ নৱেম্বৰত বেলুচ শ্বহীদ দিৱস পালন কৰা হয়।

ooooo

বিশ্ব বক্সিং কাপ ফাইনেল প্ৰতিযোগিতাত আজিৰে পৰা অহা ২০ নৱেম্বৰলৈ নয়দাৰ শ্বহীদ বিজয় সিং পঠিক ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে ব্ৰাজিল, পোলেণ্ড আৰু কাজাখস্তানত অনুষ্ঠিত তিনিখন বিশ্বকাপৰ পিছত এই বিশ্বকাপ ফাইনেল হৈছে ২০২৫ চনৰ বিশ্ব বক্সিং কাপ ছিৰিজ ছিজনৰ চূড়ান্ত খেল। এই প্ৰতিযোগিতাত ১৮ খন দেশৰ ১৩০ গৰাকী বক্সাৰে অংশগ্ৰহণ কৰিব। ইয়াৰে ২০টা শাখাত প্ৰতিটোতে বছৰৰ ৮গৰাকী শ্ৰেষ্ঠ বক্সাৰে অংশগ্ৰহণ কৰে। ভাৰতে আটাইকেইটা শাখাতে প্ৰতিযোগিতা আগবঢ়াব আৰু মীনাক্ষী, নিখট জাৰিন, জেছমিন আৰু ছৌউটি ব'ৰাৰ দৰে খেলুৱৈয়ো অংশগ্ৰহণ কৰিব। আঘাতৰ বাবে এই প্ৰতিযোগিতাৰ পৰা লাভলীনা বৰগোহাঁই খেলত অংশগ্ৰহণৰ পৰা বিৰত থকাৰ সিদ্ধান্ত লোৱাৰ বাবে ছৌউটিয়ে এই বছৰ প্ৰথমবাৰৰ বাবে পুনৰ খেললৈ

ওভতি আহিছে। এই প্ৰতিযোগিতাত ভাৰতে ইতিমধ্যে এই বছৰ বিশ্বকাপ ছাৰ্কিটত পদক লাভ কৰা অবিনাশ জামুৱাল আৰু হিতেশৰ পৰা আৰু পদক জয়ৰ আশা কৰিছে।

০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত কলকাতাৰ ইডেন গাৰ্ডেনছত অনুষ্ঠিত দুখনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেল আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। দক্ষিণ আফ্ৰিকাই আজি খেলৰ তৃতীয় দিনা ৭ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৯৩ ৰানৰ পৰা দ্বিতীয় ইনিংছৰ খেল আৰম্ভ কৰিব। কালি খেলৰ সামৰণি পৰত টেম্বা বাবুমাই ২৯ আৰু কৰ্বিন বছে ১ ৰাণ কৰি খেলি আছিল। দক্ষিণ আফ্ৰিকা ভাৰতৰ প্ৰথম ইনিংছতকৈ ৬৩ ৰাণত আগবাঢ়ি আছে। ইয়াৰ পূৰ্বে ভাৰতে কালি ১৮৯ ৰাণত প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ কে এল ৰাহুলে সৰ্বাধিক ৩৯ ৰাণ কৰে। ৱাশ্বিংটন সুন্দৰে ২৯ ৰাণৰ বৰঙণি আগবঢ়ায়। ইয়াৰ আগেয়ে দক্ষিণ আফ্ৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱা ১৫৯ ৰান সংগ্ৰহ কৰে।

০০০০০

**সমাপ্ত**